# দ্বিতীয় ভাগ
## নাগৰিকত্ব

৫। এই সংবিধানৰ প্ৰাৰম্ভণিত যাৰ ভাৰতৰ ৰাজ্যক্ষেত্ৰত অধিবাস থাকে আৰু —

(ক) ভাৰতৰ ৰাজ্যক্ষেত্ৰত যি জন্ম লাভ কৰিছিল ; নাইবা

(খ) যাৰ পিতৃ বা মাতৃৰ যিকোনো এজনে ভাৰতৰ ৰাজ্য ক্ষেত্ৰত জন্ম লাভ কৰিছিল ; কিম্বা

(গ) এই প্ৰাৰম্ভণিৰ অব্যবহিত পূৰ্বে যি অন্ততঃ পাঁচ বছৰ কাল ভাৰতৰ ৰাজ্য ক্ষেত্ৰত সাধাৰণতে বাসিন্দা আছিল,

এনে প্ৰত্যেক ব্যক্তিয়েই ভাৰতৰ নাগৰিক হ'ব।

এই সংবিধানৰ প্ৰাৰম্ভণিৰ সময়ত নাগৰিকত্ব।

৬। অনুচ্ছেদ ৫ত যিকোনো কথা থকা সত্ত্বেও, বৰ্ত্তমানে পাকিস্থানৰ অন্তৰ্গত হোৱা ৰাজ্যক্ষেত্ৰৰ পৰা ভাৰতৰ ৰাজ্যক্ষেত্ৰলৈ প্ৰব্ৰজন কৰা যিকোনো ব্যক্তি এই সংবিধানৰ প্ৰাৰম্ভণিৰ সময়ত ভাৰতৰ নাগৰিক বুলি গণ্য হব, যদিহে—

পাকিস্থানৰ পৰা ভাৰতলৈ প্ৰব্ৰজন কৰা কিছুমান লোকৰ নাগৰিকত্বৰ অধিকাৰ।

(ক) তেওঁ বা তেওঁৰ পিতৃ বা মাতৃৰ যিকোনো এজন কিম্বা পিতামহ বা পিতামহীৰ যিকোনো এজন 'গৰৰ্ণমেণ্ট অফ ইণ্ডিয়া একট, ১৯৩৫ (মূলতঃ অধিনিয়মিত অনুযায়ী)ত পৰিভাষিত হোৱা ভাৰতত উপজিছিল ; আৰু

(খ) (i) যি ক্ষেত্ৰত এনে ব্যক্তি ১৯৪৮ চনৰ জুলাই মাহৰ উনৈশ তাৰিখৰ আগতে এনেকৈ প্ৰব্ৰজিত হৈ আহিছে, তেনে ক্ষেত্ৰত যদি তেওঁ প্ৰব্ৰজনৰ তাৰিখৰ পৰা ভাৰতৰ ৰাজ্যক্ষেত্ৰত সাধাৰণতে বাসিন্দা হৈ আছে ; কিম্বা

(ii) যি ক্ষেত্ৰত এনে ব্যক্তিয়ে ১৯৪৮ চনৰ জুলাই মাহৰ উনৈশ তাৰিখে কিম্বা তাৰ পিছত এনেকৈ প্ৰব্ৰজন কৰিছে তেনেক্ষেত্ৰত এই সংবিধানৰ প্ৰাৰম্ভণিৰ আগতে ভাৰত ডমিনিয়নৰ চৰকাৰে বিহিত কৰি দিয়া প্ৰপত্ৰত আৰু ৰীতিমতে সেই ব্যক্তিজনে সেইমৰ্মে কৰা আবেদন অনুসাৰে এই কামৰ বাবে উক্ত চৰকাৰৰ দ্বাৰা নিযুক্ত হোৱা কোনো পদাধিকাৰীয়ে তেওঁক ভাৰতৰ নাগৰিক হিচাপে পঞ্জীবদ্ধ কৰিছে ঃ

পৰন্তু, তেওঁৰ আবেদন পত্ৰৰ তাৰিখৰ ঠিক পূৰ্বে ভাৰতৰ ৰাজ্য ক্ষেত্ৰত অন্ততঃ ছমাহ কাল বাসিন্দা নোহোৱা কোনো ব্যক্তি এনেভাবে পঞ্জীবদ্ধ হব নোৱাৰিব।

৭। অনুচ্ছেদ ৫ আৰু ৬ত যিকোনো কথা থকা সত্ত্বেও, ১৯৪৭ চনৰ মাৰ্চ মাহৰ পহিলা তাৰিখৰ পিছত ভাৰতৰ ৰাজ্যক্ষেত্ৰৰ পৰা এতিয়া পাকিস্থানৰ অন্তৰ্গত হোৱা ৰাজ্যক্ষেত্ৰলৈ প্ৰব্ৰজন কৰা কোনো ব্যক্তিক ভাৰতৰ নাগৰিক বুলি গণ্য কৰা নহব ঃ

পাকিস্থানলৈ প্ৰব্ৰজন কৰা কিছুমান লোকৰ নাগৰিকত্বৰ অধিকাৰ.

পৰন্তু, এতিয়া পাকিস্থানৰ অন্তৰ্গত হোৱা ৰাজ্যক্ষেত্ৰলৈ এনেদৰে প্ৰব্ৰজন কৰিও, কোনো বিধিৰ দ্বাৰা বা বিধিৰ প্ৰাধিকাৰ অনুসৰি প্ৰদান কৰা পুনৰ্বসতিৰ কিম্বা স্থায়ী প্ৰত্যাবৰ্ত্তনৰ অনুজ্ঞা অনুযায়ী ভাৰতৰ ৰাজ্যক্ষেত্ৰলৈ ঘূৰি অহা কোনো ব্যক্তিৰ ক্ষেত্ৰত এই অনুচ্ছেদৰ কোনো কথা প্ৰযোজ্য নহব, আৰু তেনে প্ৰত্যেকজন ব্যক্তিক অনুচ্ছেদ ৬ৰ খণ্ড (খ)ৰ প্ৰয়োজনাৰ্থে ১৯৪৮ চনৰ জুলাই মাহৰ উনৈশ তাৰিখৰ পিচত ভাৰতৰ ৰাজ্যক্ষেত্ৰলৈ প্ৰব্ৰজন কৰা বুলি গণ্য কৰা হ'ব।

৮। অনুচ্ছেদ ৫ত যিকোনো কথা থকা সত্ত্বেও, এনে কোনো ব্যক্তি যি বা যাৰ পিতৃ বা মাতৃ বা পিতামহ বা পিতামহীৰ যিকোনো এজন গৱৰ্ণমেণ্ট অফ্ ইণ্ডিয়া একট, ১৯৩৫ (মূলতঃ অধিনিয়মিত অনুযায়ী) পৰিভাষিত ভাৰতৰ বাহিৰৰ যিকোনো দেশত সাধাৰণতঃ বসতি কৰি আছে তেওঁক ভাৰতৰ নাগৰিক বুলি গণ্য কৰা হব, যদিহে এই সংবিধান প্ৰাৰম্ভণিৰ পূৰ্বে বা পিচতেই ভাৰতীয় ডমিনিয়নৰ চৰকাৰ বা ভাৰত চৰকাৰৰ দ্বাৰা বিহিত প্ৰপত্ৰ আৰু ৰীতিমতে ভাৰতৰ ৰাজনয়িক বা বাণিজ্য দৌত্যৰ প্ৰতিনিধিৰ ওচৰত তেওঁ কৰা আবেদনক্ৰমে যি দেশত তেওঁ তৎসময় বসতি কৰি থাকে সেই দেশতে ভাৰতৰ ৰাজনয়িক বা বাণিজ্য দৌত্যৰ প্ৰতিনিধিয়ে তেওঁক ভাৰতৰ নাগৰিক ৰূপে পঞ্জীবদ্ধ কৰিছে।

ভাৰতত জন্ম হোৱা কিন্তু ভাৰতৰ বাহিৰত থকা কিছুমান লোকৰ নাগৰিকত্বৰ অধিকাৰ।

**দ্বিতীয় ভাগ — নাগৰিকত্ব — অনুচ্ছেদ ৯-১১**

স্বেচ্ছাই বিদেশী ৰাজ্যৰ নাগৰিকত্ব অৰ্জন কৰা ব্যক্তিসকল নাগৰিক নহ'ব।

৯। যদি কোনো ব্যক্তিয়ে স্বেচ্ছাই কোনো বিদেশী ৰাজ্যৰ নাগৰিকত্ব অৰ্জন কৰে তেনেহলে তেনে ব্যক্তি অনুচ্ছেদ ৫ৰ আধাৰত ভাৰতৰ নাগৰিক নহব, কিম্বা অনুচ্ছেদ ৬ বা ৮ৰ আধাৰত তেওঁ ভাৰতৰ নাগৰিক বুলি গণ্য নহব।

নাগৰিকত্ব অধিকাৰৰ অবিচ্ছিন্নতা।

১০। এই ভাগৰ পূৰ্ববৰ্তী উপবন্ধ সমূহৰ যিকোনোটোৰ মতে ভাৰতৰ নাগৰিক হোৱা বা নাগৰিক বুলি গণ্য কৰা প্ৰত্যেকজন ব্যক্তি সংসদে প্ৰস্তুত কৰা কোনো বিধিৰ উপবন্ধ সাপেক্ষে অবিচ্ছিন্নভাবে এনে নাগৰিক হৈ থাকিব।

সংসদে বিধিৰ দ্বাৰা নাগৰিকত্ব অধিকাৰ বিনিয়মন কৰিব।

১১। নাগৰিকত্ব অৰ্জন আৰু সমাপ্তি আৰু নাগৰিকত্ব সম্বন্ধীয় অন্য সকলো বিষয়ে সংসদে যিকোনো উপবন্ধ প্ৰস্তুত কৰিব পৰা ক্ষমতা এই ভাগৰ পূৰ্ববৰ্তী উপবন্ধ সমূহৰ একোৱেই হ্ৰাস কৰিব নোৱাৰিব।

(৩) তিৰোতা আৰু ল'ৰা ছোৱালীৰ বাবে বিশেষ উপবন্ধ প্ৰস্তুত কৰাৰ পৰা এই অনুচ্ছেদৰ কোনো কথাই ৰাজ্যক বাধা নিদিয়ে।

[১][(৪) এই অনুচ্ছেদৰ বা অনুচ্ছেদ ২৯ৰ খণ্ড ২ৰ কোনো কথা সামাজিক ভাবে আৰু শিক্ষাৰ ফালৰ পৰা পিচ পৰা শ্ৰেণীৰ নাগৰিক সমূহৰ উন্নতিৰ বাবে অথবা অনুসূচিত জাতি সমূহৰ আৰু অনুসূচিত জনজাতি সমূহৰ বাবে কোনো বিশেষ উপবন্ধ কৰাত ৰাজ্যক বাধা নিদিয়ে।]

**চৰকাৰী নিয়োগৰ বিষয়ত সুযোগৰ সমতা।**

১৬। (১) ৰাজ্যৰ অধীনস্থ কোনো পদত নিয়োজন বা নিযুক্তিৰ বিষয়ত সকলোবোৰ নাগৰিকৰ বাবে সুযোগৰ সমতা থাকিব।

(২) কেৱল ধৰ্ম, জাতি, বৰ্ণ, লিংগ, উদ্ভৱ, জন্মস্থান, বাসস্থান বা তাৰ যেই কোনো এটাৰ হেতুকে ৰাজ্যৰ অধীনস্থ কোনো নিয়োজন বা পদৰ বাবে কোনো নাগৰিকেই অপাত্ৰ বা বিভেদীকৃত নহব।

(৩) [২][কোনো ৰাজ্য চৰকাৰ বা কোনো সংঘ ৰাজ্য চৰকাৰৰ অথবা তাৰ অন্তৰ্গত কোনো স্থানীয় বা অন্য প্ৰাধিকাৰীৰ অধীনস্থ] কোনো এক শ্ৰেণীৰ বা শ্ৰেণীসমূহৰ পদত নিয়োজন বা নিযুক্তিৰ সম্পৰ্কত তেনে নিয়োজন বা নিযুক্তিৰ পূৰ্বে [২][সেই ৰাজ্যৰ বা সংঘ ৰাজ্যৰ অন্তৰ্গত নিবাস বিষয়ক কোনো আৱশ্যকতা] বিহিত কৰি বিধি প্ৰস্তুত কৰাৰ পৰা এই অনুচ্ছেদত থকা কোনো কথাই সংসদক নিবাৰণ কৰিব নোৱাৰিব।

(৪) ৰাজ্যৰ মতে কোনো পিচপৰা শ্ৰেণীৰ নাগৰিক সকল যদি ৰাজ্যৰ সেৱা সমূহত উপযুক্ত পৰিমাণে প্ৰতিনিধিত্ব প্ৰাপ্ত হোৱা নাই তেনেহলে তেওঁলোকৰ অনুকূলে পদ ৰক্ষাৰ্থে বা নিযুক্তি সম্পৰ্কে কোনো উপবন্ধ প্ৰস্তুত কৰাৰ পৰা এই অনুচ্ছেদৰ কোনো কথাই ৰাজ্যক নিবাৰণ নকৰিব।

[৩][(৪ক) ৰাজ্যৰ মতে কোনো অনুসূচিত জাতি বা অনুসূচিত জনজাতিৰ লোক সকল যদি ৰাজ্যৰ সেৱা সমূহৰ কোনো এক শ্ৰেণীৰ বা শ্ৰেণী সমূহৰ পদত পদোন্নতিৰ বিষয়ত উপযুক্ত পৰিমানে প্ৰতিনিধিত্ব প্ৰাপ্ত হোৱা নাই তেনেহলে তেওঁলোকৰ অনুকুলে আৰক্ষণৰ বাবে কোনো উপবন্ধ প্ৰস্তুত কৰাৰ পৰা এই অনুচ্ছেদৰ কোনো কথাই ৰাজ্যক নিবাৰণ নকৰিব।]

(৫) কোনো ধৰ্মমূলক বা সম্প্ৰদায়মূলক সংস্থাৰ কাৰ্য্যাবলীৰ সম্বন্ধত থকা কোনো পদধাৰীয়ে বা তাৰ পৰিচালক মণ্ডলীৰ কোনো সদস্যই কোনো এক বিশেষ ধৰ্ম্ম মানিব কিম্বা কোনো এক বিশেষ সম্প্ৰদায়ৰহে অনুবৰ্ত্তী হব লাগিব বুলি উপবন্ধ কৰা কোনো বিধিৰ প্ৰবৰ্ত্তনত এই অনুচ্ছেদৰ কোনো কথাই প্ৰভাব নেপেলাব।

**অস্পৃশ্যতাৰ বিলোপন।**

১৭। 'অস্পৃশ্যতা' বিলোপ কৰা হ'ল আৰু যি কোনো ৰূপতে ইয়াৰ আচৰণ নিষিদ্ধ কৰা হ'ল। অস্পৃশ্যতাৰ পৰা উদ্ভূত যিকোনো নিৰ্যোগ্যতাৰ প্ৰয়োগ বিধিমতে দণ্ডনীয় অপৰাধ হ'ব।

**খিতাপ বিলোপন।**

১৮।(১) সৈনিক বা বিদ্যা সম্বন্ধীয় উপাধিৰ বাহিৰে ৰাজ্যই কোনো খিতাপ প্ৰদান নকৰিব।

(২) কোনো বিদেশী ৰাজ্যৰ পৰা ভাৰতৰ কোনো নাগৰিকে কোনো খিতাপ গ্ৰহণ নকৰিব।

(৩) ভাৰতৰ নাগৰিক নোহোৱা কোনো ব্যক্তিয়ে ৰাজ্যৰ অধীনত লাভ বা বিশ্বাসৰ কোনো পদ ধাৰণ কৰি থাকোতে ৰাষ্ট্ৰপতিৰ সন্মতি বিনা কোনো বিদেশী ৰাজ্যৰ পৰা কোনো খিতাপ গ্ৰহণ নকৰিব।

(৪) ৰাজ্যৰ অধীনত লাভ বা বিশ্বাসৰ পদ ধাৰণ কৰি থকা কোনো ব্যক্তিয়ে ৰাষ্ট্ৰপতিৰ সন্মতি বিনা কোনো বিদেশী ৰাজ্যৰ পৰা বা তদধীনত কোনো উপহাৰ, উপলব্ধি বা যিকোনো ধৰণৰ পদ গ্ৰহণ কৰিব নোৱাৰিব।

---

১। সংবিধান (প্ৰথম সংশোধন) অধিনিয়ম, ১৯৫১ৰ ধাৰা ২ৰ দ্বাৰা অন্তঃ স্থাপিত।

২। সংবিধান (সপ্তম সংশোধন) অধিনিয়ম, ১৯৫৬ৰ ধাৰা ২৯ আৰু অনুসূচীৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

৩। সংবিধান (সপ্তসপ্ততিতম সংশোধন) অধিনিয়ম, ১৯৯৫ৰ দ্বাৰা অন্তঃস্থাপিত।

## স্বতন্ত্ৰতাৰ অধিকাৰ

১৯। (১) সকলো নাগৰিকৰে এইবোৰত অধিকাৰ থাকিব — বাক্ স্বতন্ত্ৰতা আদি বিষয়ক কিছুমান অধিকাৰ সংৰক্ষণ।

(ক) বাক্ আৰু অভিব্যক্তিৰ স্বতন্ত্ৰতা ;

(খ) শান্তিপূৰ্ণ ভাবে আৰু বিনা অস্ত্ৰে গোট খোৱা ;

(গ) সংস্থা বা সংঘ গঠন কৰা ;

(ঘ) ভাৰতৰ ৰাজ্যক্ষেত্ৰৰ সৰ্বত্ৰ অবাধ চলাচল কৰা ;

(ঙ) ভাৰতৰ ৰাজ্যক্ষেত্ৰৰ যিকোনো অংশত থকামেলা আৰু বসতি কৰা ; [1][আৰু ]

[2][ * * * * * * ]

(ছ) যিকোনো বৃত্তি চলোৱা, কিম্বা যিকোনো উপজীবিকা, বেহা-বেপাৰ বা কাৰবাৰ চলোৱা ।

[3][(২) খণ্ড (১)ৰ উপখণ্ড (ক)ৰ কোনো কথাই উক্ত উপখণ্ডৰ দ্বাৰা প্ৰদত্ত অধিকাৰ প্ৰয়োগৰ ওপৰত, [4][ভাৰতৰ প্ৰভুত্ব আৰু অখণ্ডতাৰ,] ৰাজ্যৰ নিৰাপত্তাৰ, বিদেশী ৰাজ্যৰ লগত মৈত্ৰীপূৰ্ণ সম্বন্ধৰ, সাৰ্বজনিক শৃঙ্খলাৰ, শিষ্টাচাৰৰ বা সদাচাৰৰ হিতৰ বাবে অথবা ন্যায়ালয়-অবমাননা, মানহানি বা অপৰাধ প্ৰৰোচনা সম্পৰ্কত, কোনো বৰ্ত্তমান বিধিয়ে যি পৰ্য্যন্ত যুক্তিযুক্ত নিৰ্বন্ধন আৰোপ কৰে সেই পৰ্য্যন্ত তাৰ প্ৰবৰ্ত্তনত প্ৰভাব নেপেলাব অথবা এনে কোনো বিধি প্ৰস্তুত কৰাত ৰাজ্যক বাধা নিদিব । ]

(৩) উক্ত খণ্ডৰ (খ) উপখণ্ডৰ কোনো কথাই উক্ত উপখণ্ডৰ দ্বাৰা প্ৰদত্ত অধিকাৰ প্ৰয়োগৰ ওপৰত, [4][ভাৰতৰ প্ৰভুত্ব আৰু অখণ্ডতাৰ অথবা] সাৰ্বজনিক শৃঙ্খলাৰ হিতৰ বাবে কোনো বৰ্ত্তমান বিধিয়ে যি পৰ্য্যন্ত যুক্তিযুক্ত নিৰ্বন্ধন আৰোপ কৰে সেই পৰ্য্যন্ত তাৰ প্ৰবৰ্ত্তনত প্ৰভাব নেপেলাব অথবা এনে কোনো বিধি প্ৰস্তুত কৰাত ৰাজ্যক বাধা নিদিব ।

(৪) উক্ত খণ্ডৰ (গ) উপখণ্ডৰ কোনো কথাই উক্ত উপখণ্ডৰ দ্বাৰা প্ৰদত্ত অধিকাৰ প্ৰয়োগৰ ওপৰত [4][ভাৰতৰ প্ৰভুত্ব আৰু অখণ্ডতাৰ অথবা] সাৰ্বজনিক শৃঙ্খলা বা সদাচাৰৰ হিতৰ বাবে, কোনো বৰ্ত্তমান বিধিয়ে যি পৰ্য্যন্ত যুক্তিযুক্ত নিৰ্বন্ধন আৰোপ কৰে সেই পৰ্য্যন্ত তাৰ প্ৰবৰ্ত্তনত প্ৰভাব নেপেলাব অথবা এনে কোনো বিধি প্ৰস্তুত কৰাত ৰাজ্যক বাধা নিদিব ।

(৫) উক্ত খণ্ডৰ [5][(ঘ) আৰু (ঙ) উপখণ্ড] সমূহৰ কোনো কথাই উক্ত উপখণ্ড সমূহৰ দ্বাৰা প্ৰদত্ত অধিকাৰ সমূহৰ যিকোনোটোৰ প্ৰয়োগৰ ওপৰত সৰ্বসাধাৰণ ৰাইজৰ হিতৰ বাবে নাইবা কোনো, অনুসূচিত জনজাতিৰ স্বাৰ্থ ৰক্ষাৰ বাবে, কোনো বৰ্ত্তমান বিধিয়ে যি পৰ্য্যন্ত যুক্তিযুক্ত নিৰ্বন্ধন আৰোপ কৰে সেই পৰ্য্যন্ত তাৰ প্ৰবৰ্ত্তনত প্ৰভাব নেপেলাব অথবা এনে কোনো বিধি প্ৰস্তুত কৰাত ৰাজ্যক বাধা নিদিব ।

---

১। সংবিধান (চতুঃচত্বাৰিংশ সংশোধন) অধিনিয়ম, ১৯৭৮ৰ ধাৰা ২ৰ দ্বাৰা অন্তঃস্থাপিত (২০-৬-৭৯ তাংৰ পৰা) ।

২। উক্ত অধিনিয়মৰ উক্ত ধাৰাৰ দ্বাৰা উপখণ্ড (চ) লোপ হৈছে (২০-৬-৭৯ তাংৰ পৰা । )

৩। সংবিধান (প্ৰথম সংশোধন) অধিনিয়ম, ১৯৫১ৰ ধাৰা ৩ৰ দ্বাৰা মূল খণ্ড(২)ৰ পৰিবৰ্তে প্ৰতিষ্ঠাপিত (ভূতলক্ষী প্ৰভাবসহ) ।

৪। সংবিধান (ষষ্ঠদশ সংশোধন) অধিনিয়ম, ১৯৬৩ৰ ধাৰা ২ৰ দ্বাৰা অন্তঃস্থাপিত ।

৫। সংবিধান (চতুঃচত্বাৰিংশ সংশোধন) অধিনিয়ম, ১৯৭৮ৰ ধাৰা ২ৰ দ্বাৰা '(ঘ), (ঙ) আৰু (চ) উপখণ্ড'ৰ পৰিবৰ্তে প্ৰতিষ্ঠাপিত (২০-৬-৭৯ তাংৰ পৰা) ।

(৬) উক্ত খণ্ডৰ (ছ) উপখণ্ডৰ কোনো কথাই উক্ত উপখণ্ডৰ দ্বাৰা প্ৰদত্ত অধিকাৰ প্ৰয়োগৰ ওপৰত সৰ্বসাধাৰণ ৰাইজৰ হিতৰ বাবে, কোনো বৰ্ত্তমান বিধিয়ে যি পৰ্য্যন্ত যুক্তিযুক্ত নিৰ্বন্ধন আৰোপ কৰে সেই পৰ্য্যন্ত তাৰ প্ৰবৰ্ত্তনত প্ৰভাব নেপেলাব অথবা এনে কোনো বিধি প্ৰস্তুত কৰাত ৰাজ্যক বাধা নিদিব, আৰু বিশেষকৈ [১]উক্ত উপখণ্ডৰ কোনো কথাই—

(i) কোনো বৃত্তি অবলম্বনৰ নিমিত্তে অথবা কোনো উপজীৱিকা বা বেপাৰ বা কাৰবাৰ চলাবৰ নিমিত্তে আৱশ্যকীয় বৃত্তি বিষয়ক বা কাৰিকৰী অৰ্হতা সম্বন্ধে, অথবা

(ii) ৰাজ্যৰ দ্বাৰা অথবা ৰাজ্যৰ স্বামীত্বাধীন বা নিয়ন্ত্ৰণাধীন কোনো নিগমৰ দ্বাৰা, নাগৰিক সকলক সম্পূৰ্ণতঃ বা আংশিক ভাবে বাদ দিয়েই হওক বা অন্যথাই হওক, কোনো বেপাৰ, কাৰবাৰ, উদ্যোগ বা সেৱা চলোৱাৰ সম্বন্ধে,—

কোনো বৰ্ত্তমান বিধিয়ে যি পৰ্য্যন্ত সম্বন্ধ ৰাখিছে সেই পৰ্য্যন্ত তাৰ প্ৰবৰ্ত্তনৰ ওপৰত প্ৰভাৱ নেপেলাব অথবা এনে সম্বন্ধীয় কোনো বিধি প্ৰণয়নত ৰাজ্যক বাধা নিদিব ।]

অপৰাধৰ বাবে দোষী সাব্যস্তকৰণৰ সম্পৰ্কত সংৰক্ষণ।

২০। (১) কোনো ব্যক্তি অপৰাধ বুলি অভিহিত কোনো কাৰ্য্য কৰাৰ সময়ত বলবৎ থকা বিধিৰ উলংঘনৰ কাৰণত বাহিৰে আন একো অপৰাধত দোষী সাব্যস্ত হব নোৱাৰিব, নতুবা অপৰাধটো কৰাৰ সময়ত বলবৎ থকা বিধিৰ অধীনত যিমানখিনি শাস্তি বিহিব পৰা গ'লহেঁতেন তাতকৈ গুৰুতৰ শাস্তিৰ দ্বাৰা দণ্ডনীয় হব নোৱাৰিব ।

(২) একেটা অপৰাধৰ বাবে কোনো ব্যক্তি একাধিক বাৰ অভিযোজিত আৰু দণ্ডিত হব নোৱাৰিব ।

(৩) যি কোনো অপৰাধত অভিযুক্ত কোনো ব্যক্তিকে নিজৰ বিৰুদ্ধে সাক্ষী হবলৈ বাধ্য কৰাব নোৱাৰিব ।

জীৱন আৰু ব্যক্তি স্বাধীনতাৰ সংৰক্ষণ।

২১। বিধিৰ দ্বাৰা স্থাপিত কোনো প্ৰক্ৰিয়াৰ ব্যতিৰেকে কোনো ব্যক্তি জীৱন আৰু ব্যক্তি স্বাধীনতাৰ পৰা বঞ্চিত হব নোৱাৰিব ।

কোনো কোনো ক্ষেত্ৰত বন্দীকৰণ আৰু নিৰুদ্ধকৰণৰ পৰা সংৰক্ষণ।

[২]২২। (১) বন্দীকৃত কোনো ব্যক্তিক যিমান সোনকালে পৰা যায় সিমান সোনকালে বন্দীকৰণৰ হেতু নজনোৱাকৈ হাজোতত নিৰুদ্ধ কৰি ৰাখিব নোৱাৰিব নতুবা তেওঁৰ অভিৰুচিৰ বিধি ব্যৱসায়ীৰ দ্বাৰা পক্ষসমৰ্থিত হোৱাৰ আৰু তেওঁৰ লগত পৰামৰ্শ কৰাৰ অধিকাৰৰ পৰা তেওঁ বঞ্চিত হব নোৱাৰিব ।

(২) বন্দীকৃত আৰু হাজোতত নিৰুদ্ধ প্ৰত্যেক ব্যক্তিক, বন্দীকৰণৰ ঠাইৰ পৰা দণ্ডাধিকাৰীৰ ন্যায়ালয়লৈ যাওঁতে আৱশ্যক হোৱা সময়খিনি বাদ দি, এনে বন্দীকৰণৰ চৌবিশ ঘন্টাৰ ভিতৰত নিকটতম দণ্ডাধিকাৰীৰ ন্যায়ালয়ত হাজিৰ কৰাব লাগিব ; আৰু এনে কোনো ব্যক্তিক দণ্ডাধিকাৰীৰ প্ৰাধিকাৰ বিনা উক্ত কালতকৈ অধিক সময় হাজোতত নিৰুদ্ধ ৰাখিব নোৱাৰিব ।

(৩) খণ্ড (১) আৰু (২)ৰ কোনো কথা—

(ক) তৎসময় শত্ৰু অন্যদেশীয় কোনো ব্যক্তিৰ প্ৰতি ; বা

(খ) নিবাৰক নিৰোধৰ কাৰণে উপবন্ধিত কোনো বিধিৰ অধীনত বন্দী বা নিৰুদ্ধ হোৱা কোনো ব্যক্তিৰ প্ৰতি প্ৰযোজ্য নহব ।

---

১। সংবিধান (প্ৰথম সংশোধন) অধিনিয়ম, ১৯৫১ৰ ৩ ধাৰাৰ দ্বাৰা কেইটামান মূল শব্দৰ পৰিবৰ্ত্তে প্ৰতিষ্ঠাপিত ।

২। সংবিধান (চতুঃচত্বাৰিংশ সংশোধন) অধিনিয়ম, ১৯৭৮ৰ ধাৰা ৩ বলবৎ হলে অনুচ্ছেদ ২২ সেইমতে সংশোধিত হব ।

তৃতীয় ভাগ — মৌলিক অধিকাৰ — অনুচ্ছেদ ২২-২৪

(৪) নিবাৰক নিৰোধৰ কাৰণে উপবন্ধিত কোনো বিধিয়ে তিনিমাহতকৈ অধিক সময়ৰ কাৰণে কোনো ব্যক্তিক নিৰোধ কৰাৰ প্ৰাধিকাৰ নিদিব যদিহে—

(ক) উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ বা পূৰ্বে ন্যায়াধীশ হৈ থকা বা ন্যায়াধীশ নিযুক্ত হবৰ কাৰণে অৰ্হতা থকা ব্যক্তি সকলৰে গঠিত উপদেষ্টা বোৰ্ডে উক্ত তিনিমাহ সময়ৰ সমাপ্তিৰ পূৰ্বে, নিজৰ বিবেচনা অনুসৰি তেনে নিৰোধৰ পৰ্য্যাপ্ত কাৰণ আছে বুলি প্ৰতিবেদন দিয়া নাই ঃ

পৰন্তু, খণ্ড (৭)ৰ উপখণ্ড (খ)ৰ অধীনত সংসদে প্ৰণয়ন কৰা কোনো বিধিৰ দ্বাৰা বিহিত অধিকতম সময়ৰ পিচত কোনো ব্যক্তিকে নিৰোধ কৰি ৰাখিবলৈ এই উপখণ্ডৰ কোনো কথাই প্ৰাধিকৃত নকৰিব ; অথবা

(খ) খণ্ড (৭)ৰ উপখণ্ড (ক) আৰু (খ)ৰ অধীনত সংসদে কৰা কোনো বিধিৰ উপবন্ধ অনুযায়ী এনে ব্যক্তিক নিৰোধ কৰা হোৱা নাই।

(৫) নিবাৰক নিৰোধৰ কাৰণে উপবন্ধিত কোনো বিধিৰ অধীনত দিয়া আদেশ অনুসৰি যেতিয়া কোনো ব্যক্তিক নিৰোধ কৰা হয় তেতিয়া উক্ত আদেশ দিয়া প্ৰাধিকাৰীয়ে যথা শীঘ্ৰে তেনে নিৰুদ্ধ ব্যক্তিক কি কাৰণত উক্ত আদেশ দিয়া হৈছে সেইটো জনাই দিব আৰু উক্ত আদেশৰ বিৰুদ্ধে অভ্যাবেদন দিবলৈ তেওঁক শীঘ্ৰাতিশীঘ্ৰ সুযোগ দিব।

(৬) খণ্ড (৫)ৰ কোনো কথাৰ দ্বাৰা সেই খণ্ডত যথা উল্লিখিত তেনে কোনো আদেশ দিয়া প্ৰাধিকাৰীয়ে যিবোৰ তথ্য প্ৰকট কৰিলে লোকহিতৰ পৰিপন্থী বুলি বিবেচনা কৰে, তেনেবোৰ তথ্য তেনে প্ৰাধিকাৰীয়ে প্ৰকট কৰাটো অপেক্ষিত নহব।

(৭) সংসদে বিধিৰ দ্বাৰা —

(ক) কি বোৰ পৰিস্থিতিৰ অধীনত আৰু কি কি শ্ৰেণীৰ বা শ্ৰেণীসমূহৰ গোচৰত খণ্ড (৪)ৰ উপখণ্ড (ক)ৰ উপবন্ধ অনুযায়ী উপদেষ্টা বোৰ্ডৰ মতামত নোলোৱাকৈ নিবাৰক নিৰোধৰ কাৰণে উপবন্ধিত কোনো বিধিৰ অধীনত তিনি মাহতকৈ অধিক কালৰ কাৰণে কোনো ব্যক্তিক নিৰোধ কৰিব পাৰিব সেই পৰিস্থিতি সমূহ আৰু শ্ৰেণী বা শ্ৰেণী সমূহ,

(খ) কি অধিকতম কালৰ কাৰণে কোনো শ্ৰেণী বা শ্ৰেণীসমূহৰ গোচৰত যিকোনো ব্যক্তিক নিবাৰক নিৰোধৰ বাবে উপবন্ধিত কোনো বিধিৰ অধীনত নিৰুদ্ধ কৰিব পাৰিব সেই অধিকতম কাল, আৰু

(গ) খণ্ড (৪)ৰ উপখণ্ড (ক)ৰ অধীনস্থ কোনো পৰিপৃচ্ছাত উপদেষ্টা বোৰ্ডৰ দ্বাৰা অনুসৰণীয় প্ৰক্ৰিয়া, বিহিত কৰিব পাৰে।

## শোষণৰ বিৰুদ্ধে অধিকাৰ

২৩। (১) মানৱ পণন আৰু "বেগাৰ" আৰু অন্যান্য অনুৰূপ প্ৰকাৰৰ বলপূৰ্বক কৰোৱা শ্ৰমৰ প্ৰতিষেধ কৰা হৈছে, আৰু এই উপবন্ধৰ কোনো উলংঘন বিধি অনুযায়ী দণ্ডনীয় অপৰাধ হব। *মানৱ পণন আৰু বলাৎশ্ৰম কৰোৱাৰ প্ৰতিষেধ।*

(২) এই অনুচ্ছেদৰ কোনো কথাই ৰাজহুৱা প্ৰয়োজনৰ অৰ্থে বাধ্যতামূলক সেৱা আৰোপণ কৰাৰ পৰা ৰাজ্যক নিবাৰণ নকৰিব আৰু এনে সেৱা আৰোপণত ৰাজ্যই কেবল ধৰ্ম, জাতি, বৰ্ণ বা শ্ৰেণী অথবা ইয়াৰ কোনো এটাৰ হেতুকে কোনো বিভেদ নকৰিব।

২৪। চৈধ্য বছৰৰ কম বয়সৰ কোনো ল'ৰা-ছোৱালীকে কোনো কাৰখানা বা খনিৰ চাকৰিত কিম্বা আন কোনো সংকটজনক চাকৰিত নিযুক্ত নকৰিব। *কাৰখানা আদিত ল'ৰা-ছোৱালীৰ নিযুক্তিত প্ৰতিষেধ।*

## তৃতীয় ভাগ — মৌলিক অধিকাৰ — অনুচ্ছেদ ২৫-২৮

### ধৰ্ম-স্বতন্ত্ৰতাৰ অধিকাৰ

**বিবেকৰ স্বতন্ত্ৰতা আৰু ধৰ্মৰ অবাধ ধাৰণ, আচৰণ আৰু প্ৰচাৰৰ স্বতন্ত্ৰতা।**

২৫। (১) সাৰ্বজনিক শৃঙ্খলা, সদাচাৰ আৰু স্বাস্থ্য আৰু এইভাগৰ অন্যান্য উপ-বন্ধাবলীৰ সাপেক্ষে বিবেকৰ স্বতন্ত্ৰতা পাবলৈ আৰু অবাধে ধৰ্মৰ ধাৰণ, আচৰণ আৰু প্ৰচাৰৰ অধিকাৰ পাবলৈ সকলো ব্যক্তিৰে সমানে হক্ থাকিব।

(২) এই অনুচ্ছেদৰ কোনো কথাই কোনো বৰ্ত্তমান বিধিৰ প্ৰবৰ্ত্তনত প্ৰভাব নেপেলাব কিম্বা ৰাজ্যক এনে কোনো বিধি প্ৰস্তুত কৰাৰ পৰা নিবাৰণ নকৰিব যি বিধিয়ে—

(ক) ধৰ্মাচৰণৰ লগত সম্বন্ধ থকা কোনো আৰ্থিক, বিত্তীয়, ৰাজনৈতিক বা অন্যান্য লৌকিক কাৰ্য্যকলাপ বিনিয়মন বা নিৰ্বন্ধন কৰে ;

(খ) সামাজিক কল্যাণ আৰু সংস্কাৰৰ অৰ্থে উপবন্ধ কৰে কিম্বা হিন্দুৰ সাৰ্বজনিক প্ৰকাৰৰ ধৰ্মমূলক প্ৰতিষ্ঠান সমূহ সকলো শ্ৰেণীৰ বা সম্প্ৰদায়ৰ হিন্দু সকলৰ নিমিত্তে উন্মুক্ত কৰি দিয়ে।

স্পষ্টীকৰণ ১ ঃ— কৃপাণ ধাৰণ কৰা আৰু লগত লৈ ফুৰাটো শিখ ধৰ্ম মানি চলাৰ অন্তৰ্গত বুলি গণ্য কৰা হব।

স্পষ্টীকৰণ ২ ঃ— খণ্ড (২)ৰ উপখণ্ড (খ)ত হিন্দু সকল বুলি কৰা নিৰ্দ্দেশে শিখ, জৈন আৰু বৌদ্ধ ধৰ্ম মানি চলা লোক সকলকো নিৰ্দ্দেশ কৰা বুলি অৰ্থ কৰা হব আৰু হিন্দু ধৰ্মমূলক প্ৰতিষ্ঠান সমূহৰ নিৰ্দ্দেশৰো সেই অনুসাৰে অৰ্থ কৰা হব।

**ধৰ্মমূলক কামৰ পৰিচালনাৰ স্বতন্ত্ৰতা।**

২৬। সাৰ্বজনিক শৃঙ্খলা, সদাচাৰ আৰু স্বাস্থ্যৰ সাপেক্ষে —

(ক) ধৰ্মীয় বা পূৰ্ত্ত প্ৰয়োজনৰ কাৰণে প্ৰতিষ্ঠান স্থাপন আৰু পোষণ কৰিবলৈ ;
(খ) ধৰ্মৰ বিষয়ত নিজৰ কাৰ্য্য পৰিচালনা কৰিবলৈ ;
(গ) অস্থাৱৰ আৰু স্থাবৰ সম্পত্তি অৰ্জন কৰিবলৈ আৰু তাৰ স্বামিত্ব লাভ কৰিবলৈ ; আৰু
(ঘ) বিধি অনুযায়ী এনে সম্পত্তিৰ প্ৰশাসন কৰিবলৈ প্ৰত্যেক ধৰ্ম সম্প্ৰদায়ৰ বা তাৰ কোনো বিভাগৰ অধিকাৰ থাকিব।

**কোনো বিশেষ ধৰ্মৰ উন্নতিৰ অৰ্থে কৰ শোধোৱা বিষয়ত স্বতন্ত্ৰতা।**

২৭। যিবিলাক কৰৰ আগম কোনো বিশেষ ধৰ্মৰ বা ধৰ্ম সম্প্ৰদায়ৰ উন্নতি বা পোষণৰ অৰ্থে ব্যয় কৰাৰ কাৰণে নিৰ্দ্দিষ্ট ৰূপে বিনিয়োগ কৰা হয়, সেইবিলাক কৰ শোধাবলৈ কোনো ব্যক্তিকে বাধ্য কৰিব নোৱাৰিব।

**কিছুমান শিক্ষা প্ৰতিষ্ঠানত ধৰ্ম শিক্ষা বা ধৰ্মীয় উপাসনাত উপস্থিতিৰ বিষয়ে স্বতন্ত্ৰতা।**

২৮। (১) ৰাজ্য নিধিৰ পৰা সম্পূৰ্ণৰূপে পোষণ কৰা কোনো শিক্ষা প্ৰতিষ্ঠানতে ধৰ্মীয় শিক্ষা দিয়া নহব।

(২) ৰাজ্যৰ দ্বাৰা প্ৰশাসিত কিন্তু ধৰ্ম-শিক্ষাৰ আৱশ্যকতাৰ কথা থকা কোনো ধৰ্মস্ব বা ন্যাসৰ অধীনত স্থাপিত হোৱা শিক্ষা প্ৰতিষ্ঠানত খণ্ড (১) ৰ কোনো কথা প্ৰযোজ্য নহব।

(৩) ৰাজ্যই স্বীকৃতি দিয়া বা ৰাজ্য নিধিৰ পৰা সাহায্য পোৱা কোনো শিক্ষা প্ৰতিষ্ঠানত অধ্যয়ন কৰা কোনো ব্যক্তিয়ে এনে প্ৰতিষ্ঠানত দিয়া ধৰ্ম শিক্ষাত কিম্বা এনে প্ৰতিষ্ঠানত অথবা তাৰ লগত সংলগ্ন কোনো স্থানত অনুষ্ঠিত ধৰ্মীয় উপাসনাত ভাগলোৱাটো আৱশ্যক বুলি ধৰা নহব যদিহে এনে ব্যক্তিয়ে বা তেওঁ নাবালক হলে তেওঁৰ অভিভাবকে তাৰ বাবে সন্মতি দিয়া নাই।

তৃতীয় ভাগ — মৌলিক অধিকাৰ — অনুচ্ছেদ ২৯-৩১ক

### সংস্কৃতি আৰু শিক্ষা সম্বন্ধীয় অধিকাৰ

২৯। (১) সুকীয়া ভাষা, লিপি বা সংস্কৃতি থকা আৰু ভাৰতৰ ৰাজ্যক্ষেত্ৰত বা তাৰ কোনো অংশত বাস কৰা নাগৰিক সকলৰ যিকোনো বিভাগৰ সেইবোৰ সংৰক্ষণ কৰাৰ অধিকাৰ থাকিব। সংখ্যালঘু সকলৰ স্বাৰ্থৰ সংৰক্ষণ।

(২) ৰাজ্যৰ দ্বাৰা পোষিত হোৱা বা ৰাজ্য নিধিৰ পৰা সাহায্য পোৱা কোনো শিক্ষা প্ৰতিষ্ঠানত কেবল ধৰ্ম্ম, জাতি, বৰ্ণ, ভাষা বা তাৰ কোনোটোৰ হেতুকে কোনো নাগৰিকক প্ৰবেশ নিদিয়াকৈ থাকিব নোৱাৰিব।

৩০। (১) ধৰ্ম্মৰ ভিত্তিতেই হওক বা ভাষাৰ ভিত্তিতেই হওক সকলো সংখ্যালঘু সম্প্ৰদায়ৰ নিজৰ মনোমত শিক্ষা প্ৰতিষ্ঠান স্থাপন আৰু প্ৰশাসন কৰাৰ অধিকাৰ থাকিব। শিক্ষা প্ৰতিষ্ঠান স্থাপন বা প্ৰশাসন কৰিবলৈ সংখ্যালঘুসকলৰ অধিকাৰ।

[১][(১ক) খণ্ড (১)ত উল্লিখিত কোনো সংখ্যালঘুৰ দ্বাৰা স্থাপিত আৰু প্ৰশাসিত কোনো শিক্ষানুষ্ঠানৰ কোনো সম্পত্তিৰ বাধ্যতামূলক অৰ্জনৰ বাবে উপবন্ধ কৰা কোনো বিধি প্ৰণয়ন কৰোতে ৰাজ্যই এইটো সুনিশ্চিত কৰিব লাগিব যে এনে সম্পত্তি অৰ্জনৰ বাবে এনে বিধিৰ দ্বাৰা নিৰ্দ্দিষ্ট কৰা বা তাৰ অধীনত ধাৰ্য্য কৰা ধনৰ পৰিমাণ এনে হব যাতে তাৰ দ্বাৰা সেই খণ্ডৰ অধীনত প্ৰত্যাভূতি দিয়া অধিকাৰত বাধা আৰোপ নকৰে বা তাক নিৰাকৃত নকৰে।]

(২) ৰাজ্যই শিক্ষা প্ৰতিষ্ঠান সমূহলৈ সাহায্য মঞ্জুৰী দিওঁতে কোনো প্ৰতিষ্ঠানৰ বিৰুদ্ধে এনে আধাৰৰ ওপৰত বিভেদ নকৰিব যে সেই প্ৰতিষ্ঠান, ধৰ্ম্মৰ ভিত্তিতেই হওক বা ভাষাৰ ভিত্তিতেই হওক, কোনো সংখ্যালঘুৰ দ্বাৰা পৰিচালিত।

[২][ * * *]

৩১। [সম্পত্তিৰ বাধ্যতামূলক অৰ্জন] সংবিধান (চতুঃচত্বাৰিংশ সংশোধন) অধিনিয়ম, ১৯৭৮ৰ ধাৰা ৬ৰ দ্বাৰা নিৰাসিত (২০-৬-৭৯ তাংৰ পৰা)।

[৩][ কোনো কোনো বিধিৰ ব্যাবৃত্তি]

[৪][৩১ক। [৫][(ক) অনুচ্ছেদ ১৩ত অন্তৰ্বিষ্ট যি কোনো কথা থাকিলেও— সম্পদা আদি অৰ্জনৰ নিমিত্তে উপবন্ধকাৰী বিধিসমূহৰ ব্যাবৃত্তি।

(ক) ৰাজ্যৰ দ্বাৰা কোনো সম্পদা বা তাত থকা কোনো অধিকাৰ অৰ্জনৰ নিমিত্তে অথবা এনে কোনো অধিকাৰ লোপ কৰণ বা পৰিবৰ্ত্তনৰ নিমিত্তে, বা

(খ) ৰাজ্যৰ দ্বাৰা লোকহিতকৰ কাৰণেই হওক বা সেই সম্পত্তিৰ উচিত পৰিচালনাৰ কাৰণেই হওক, কোনো সম্পত্তিৰ পৰিচালনা সীমিত কালৰ বাবে হাতলৈ অনাৰ নিমিত্তে, বা

---

১। সংবিধান (চতুঃচত্বাৰিংশ সংশোধন) অধিনিয়ম, ১৯৭৮ৰ ধাৰা ৪ৰ দ্বাৰা অন্তঃস্থাপিত (২০-৬-৭৯ তাংৰ পৰা)।

২। "সম্পত্তিৰ অধিকাৰ" উপশিতান সংবিধান উক্ত সংশোধন অধিনিয়মৰ ধাৰা ৫ৰ দ্বাৰা লোপ কৰা হৈছে (২০-৬-৭৯ তাংৰ পৰা)।

৩। সংবিধান (দ্বাচত্বাৰিংশ সংশোধন) অধিনিয়ম, ১৯৭৬ৰ ধাৰা ৩ৰ দ্বাৰা অন্তঃস্থাপিত (৩-১-৭৭ তাংৰ পৰা)।

৪। সংবিধান (প্ৰথম সংশোধন) অধিনিয়ম, ১৯৫১ৰ ধাৰা ৪ৰ দ্বাৰা অন্তঃস্থাপিত (ভূতলক্ষী প্ৰভাবেৰে)।

৫। সংবিধান (চতুৰ্থ সংশোধন) অধিনিয়ম, ১৯৫৫ৰ ৩ ধাৰাৰ দ্বাৰা মূল খণ্ডৰ পৰিবৰ্তে প্ৰতিস্থাপিত (ভূতলক্ষী প্ৰভাবেৰে)

তৃতীয় ভাগ — মৌলিক অধিকাৰ — অনুচ্ছেদ ৩১ক

(গ) দুই বা ততোধিক নিগমক লোকহিতৰ কাৰণেই হওক বা নিগম সমূহৰ যি কোনো একৰ পৰিচালনা সুনিশ্চিত কৰাৰ কাৰণেই হওক, লগ লগোবাৰ নিমিত্তে, বা

(ঘ) নিগম সমূহৰ প্ৰবন্ধ-অভিকৰ্ত্তা, সচিব আৰু কোষাধ্যক্ষ, প্ৰবন্ধ-নিৰ্দ্দেশক, নিৰ্দ্দেশক বা প্ৰবন্ধক সকলৰ কোনো অধিকাৰৰ অথবা তাৰ অংশীদাৰ সকলৰ কোনো ভোটাধিকাৰৰ লোপ সাধনৰ বা পৰিবৰ্ত্তনৰ নিমিত্তে, বা

(ঙ) কোনো খনিজ বা খনিজ তেল বিচাৰিবৰ কাৰণে বা লব্ধ কৰিবৰ কাৰণে হোৱা কোনো কৰাৰ, পট্টন বা অনুজ্ঞপ্তিৰ বলত উদ্ভূত কোনো অধিকাৰৰ লোপ সাধন বা পৰিবৰ্ত্তনৰ নিমিত্তে অথবা এনে কোনো কৰাৰ, পট্টন বা অনুজ্ঞপ্তি সময়ৰ পূৰ্বে পৰ্য্যাবসান ঘটোৱাৰ বা ৰদকৰণৰ নিমিত্তে, উপবন্ধকাৰী কোনো বিধি, [1][অনুচ্ছেদ ১৪ বা অনুচ্ছেদ ১৯]ৰ দ্বাৰা প্ৰদত্ত অধিকাৰ সমূহৰ কোনো এটাৰ লগত অসঙ্গত হোবাৰ বা তাৰ কোনো এটাক হৰণ কৰা বা ন্যূন কৰাৰ আধাৰত বাতিল বুলি গণ্য কৰা নহব ঃ

পৰন্তু, যতনেকি এনেকুৱা বিধি ৰাজ্যৰ বিধান মণ্ডলৰ দ্বাৰা প্ৰণীত বিধি হয় তাত এই অনুচ্ছেদৰ উপবন্ধ সমূহ প্ৰয়োগ নহব যদিহে এনেকুৱা বিধি ৰাষ্ট্ৰপতিৰ বিবেচনাৰ্থে ৰক্ষিত হৈ তেওঁৰ অনুমতি লাভ নকৰে ঃ ]

[2][অধিকন্তু, যতনেকি কোনো বিধিয়ে ৰাজ্যৰ দ্বাৰা কোনো সম্পদা অৰ্জন কৰাৰ কোনো ব্যৱস্থা কৰে আৰু যতনেকি কোনো সম্পদাত সমাবিষ্ট কোনো ভূমি কোনো ব্যক্তিয়ে তেওঁৰ ব্যক্তিগত কৃষিৰ অধীনত ধাৰণ কৰে তাত তেওঁৰ ক্ষেত্ৰত প্ৰয়োজ্য সাম্প্ৰতিক ভাবে বলবৎ থকা যিকোনো বিধিৰ অধীনত থকা সৰ্ব্বোচ্চ সীমাৰ ভিতৰত পৰা এনে ভূমিৰ যিকোনো ভাগ অথবা তাত অৱস্থিত বা তাৰ লগত অনুলগ্ন কোনো ঘৰ বা কোনো নিৰ্মাণ অৰ্জন কৰাটো ৰাজ্যৰ বাবে বিধিপূৰ্ণ নহব, যদিহে এনে ভূমি, ঘৰ বা নিৰ্মাণ অৰ্জন সম্বন্ধীয় বিধিয়ে এনে নিৰিখত ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা নকৰে যি নিৰিখ তাৰ বজাৰ দৰতকৈ কম নহয়। ]

(২) এই অনুচ্ছেদত —

[3][(ক) কোনো স্থানীয় ক্ষেত্ৰৰ প্ৰসংগত "সম্পদা" বুলিলে সেই ঠাইত থকা ভূ-ধাৰণ সম্বন্ধীয় বৰ্ত্তমান বিধিত এই পদৰ বা ইয়াৰ স্থানীয় প্ৰতিশব্দৰ যি অৰ্থ বুজায় সেই অৰ্থকে অভিপ্ৰেত কৰিব ; আৰু

(i) কোনো জাগীৰ, ইনাম বা মুআফী বা অন্য কোনো অনুৰূপ অনুদান আৰু [4][তামিলনাদু] আৰু কেৰেলা ৰাজ্যত যিকোনো জন্মম্ অধিকাৰ ;

(ii) ৰায়তী বন্দবস্ত ধাৰণ কৰা যিকোনো ভূমি ;

(iii) কৃষিৰ প্ৰয়োজনৰ বাবে অথবা পতিত ভূমি, বন ভূমি, চৰণীয়া ভূমি বা ভূমিৰ কৃষক, কৃষি বনুৱা আৰু গয়াঁ শিল্পী সকলে দখল কৰা গৃহনিৰ্মাণ বা অন্য নিৰ্মাণ স্থানক ধৰি কৃষিৰ বা তত্ সম্বন্ধীয় প্ৰয়োজন সমূহৰ বাবে ধাৰণ কৰা বা পট্টন দিয়া ভূমিও ইয়াৰ অন্তৰ্ভুক্ত হব ; ]

---

১। সংবিধান (চতুঃচত্বাৰিংশ সংশোধন) অধিনিয়ম, ১৯৭৮ৰ ধাৰা ৭ৰ দ্বাৰা প্ৰতিষ্ঠাপিত (২০-৬-৭৯ তাংৰ পৰা )।

২। সংবিধান (সপ্তদশ সংশোধন) অধিনিয়ম, ১৯৬৪ৰ ধাৰা ২ৰ দ্বাৰা অন্তঃ স্থাপিত।

৩। সংবিধান (সপ্তদশ সংশোধন) অধিনিয়ম, ১৯৬৪ৰ ধাৰা ২ৰ দ্বাৰা মূল উপখণ্ড (ক)ৰ পৰিবৰ্তে প্ৰতিষ্ঠাপিত (ভূতলক্ষী প্ৰভাবেৰে)।

৪। মাদ্ৰাজ ৰাজ্য (নাম পৰিবৰ্ত্তন) অধিনিয়ম, ১৯৬৮ৰ ধাৰা ৪ৰ দ্বাৰা "মাদ্ৰাজ" শব্দৰ সলনি প্ৰতিষ্ঠাপিত (১৪-১-৬৯ ৰ তাংৰ পৰা )।

তৃতীয় ভাগ — মৌলিক অধিকাৰ — অনুচ্ছেদ ৩১খ-৩২

(খ) কোনো সম্পদাৰ সম্বন্ধত "অধিকাৰসমূহ" বুলিলে স্বত্বধাৰী, উপস্বত্বধাৰী, অধীন-স্বত্বধাৰী, ভূ-ধৃতিধাৰী [২][ৰায়ত, অধীন-ৰায়ত] বা অন্য মধ্যবৰ্ত্তীৰ ওপৰত ন্যস্ত যিকোনো অধিকাৰ আৰু ভূমি-ৰাজস্ব সম্পৰ্কত থকা যি কোনো অধিকাৰ বা বিশেষাধিকাৰো ইয়াৰ অন্তৰ্ভুক্ত হব।]

[১]৩১খ। অনুচ্ছেদ ৩১কত সন্নিবিষ্ট উপবন্ধ সমূহৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাব নেপেলোৱাকৈ, নবম অনুসূচীত উল্লিখিত অধিনিয়ম আৰু বিনিয়ম সমূহৰ কোনো খনেই বা তাৰ উপবন্ধ সমূহৰ কোনোটোৱেই এনে অধিনিয়ম, বিনিয়ম বা উপবন্ধ এই ভাগৰ যিকোনো উপবন্ধৰ দ্বাৰা প্ৰদত্ত অধিকাৰ সমূহৰ কোনোটোৰ লগত অসংগত হোৱাৰ কাৰণত বা এনে অধিকাৰৰ কোনো এটা হৰণ কৰাৰ বা ন্যূন কৰাৰ কাৰণত বাতিল বুলি বা কেতিয়াবা বাতিল হোৱা বুলি গণ্য কৰা নহব, আৰু ইয়াৰ প্ৰতিকূলে কোনো ন্যায়ালয় বা ন্যায়াধিকৰণৰ নিৰ্ণয়, ডিক্ৰী বা আদেশ থাকিলেও, উক্ত অধিনিয়ম আৰু বিনিয়মৰ প্ৰত্যেক খনেই তাক নিৰসন বা সংশোধন কৰিব পৰা কোনো ক্ষমতাশীল বিধান মণ্ডলৰ ক্ষমতা সাপেক্ষে বলবৎ হৈ চলি থাকিব।] কোনো কোনো অধিনিয়ম আৰু বিনিয়মৰ মান্যকৰণ।

[৩][ ৩১ গ। অনুচ্ছেদ ১৩ত যিকোনো কথা থকা সত্বেও [৪][চতুৰ্থ ভাগত উল্লিখিত সূত্ৰ সমূহৰ সকলো বা যি কোনোটো সুনিশ্চিত কৰাৰ অৰ্থে ৰাজ্যৰ নীতিক কাৰ্য্যান্বিত কৰা কোনো বিধি এই আধাৰত বাতিল বুলি গণ্য কৰা নহব যে তেনে বিধি [৫][অনুচ্ছেদ ১৪ অথবা অনুচ্ছেদ ১৯]ৰ দ্বাৰা প্ৰদত্ত অধিকাৰ সমূহৰ কোনোটোৰ সৈতে অসঙ্গত অথবা ই তেনে অধিকাৰৰ কোনোটো হৰণ কৰিছে বা ন্যূন কৰিছে [৬][আৰু এনে নীতি কাৰ্য্যান্বিত কৰিবৰ অৰ্থে প্ৰণীত বুলি ঘোষণা থকা কোনো বিধিৰ বিৰুদ্ধে কোনো ন্যায়ালয়ত এই আধাৰত প্ৰশ্ন কৰিব নোৱাৰিব যে তেনে বিধিয়ে এনে নীতি কাৰ্য্যান্বিত কৰা নাই ঃ ] কোনো কোনো নিৰ্দ্দেশক সূত্ৰাৱলী কাৰ্য্যান্বিত কৰা বিধিসমূহৰ ব্যাবৃত্তি।

পৰন্তু, যেতিয়া তেনে বিধি কোনো ৰাজ্যৰ বিধান মণ্ডলৰ দ্বাৰা প্ৰণীত কৰা হয় তেতিয়া এই অনুচ্ছেদৰ উপবন্ধ সমূহ তাত প্ৰয়োগ নহব - যদিহে তেনে বিধি ৰাষ্ট্ৰপতিৰ বিবেচনাৰ বাবে ৰক্ষিত হোৱাৰ পাচত তেখেতৰ সন্মতি প্ৰাপ্ত নহয়।]

৩১ ঘ। [ৰাষ্ট্ৰ-বিৰোধী কাৰ্য্যকলাপ সম্বন্ধীয় বিধিৰ ব্যাবৃত্তি] সংবিধান (দ্বাচত্বাৰিংশ সংশোধন) অধিনিয়ম, ১৯৭৬ৰ দ্বাৰা অন্তঃস্থাপিত, আৰু সংবিধান (ত্ৰিচত্বাৰিংশ সংশোধন) অধিনিয়ম, ১৯৭৭ৰ ধাৰা ২ৰ দ্বাৰা লোপ কৰা হয় (১৩-৪-৭৮ তাংৰ পৰা)।

## সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰৰ

৩২ (১) এই ভাগৰ দ্বাৰা প্ৰদত্ত অধিকাৰ সমূহ বলবত্ কৰাৰ কাৰণে সমুচিত কাৰ্য্যবাহীৰ দ্বাৰা উচ্চতম ন্যায়ালয়লৈ আবেদন কৰাৰ অধিকাৰ সুনিশ্চিত কৰা হৈছে। এই ভাগৰ দ্বাৰা প্ৰদত্ত অধিকাৰসমূহ বলবত্ কৰাৰ কাৰণে প্ৰতিকাৰসমূহ।

(২) এই ভাগৰ দ্বাৰা প্ৰদত্ত যিকোনো অধিকাৰ বলবত্ কৰাৰ কাৰণে নিৰ্দ্দেশ বা আদেশ অথবা লেখ সমূহ, যাৰ অন্তৰ্গত বন্দী প্ৰত্যক্ষীকৰণ, পৰমাদেশ, প্ৰতিষেধ, অধিকাৰপৃচ্ছা আৰু উত্প্ৰেষণ লেখৰ প্ৰকৃতিৰ লেখ সমূহ পৰিব, ইয়াৰ যিটোৱেই সমুচিত হয়, উচ্চতম ন্যায়ালয়ৰ জাৰি কৰাৰ ক্ষমতা থাকিব।

---

১। সংবিধান (চতুৰ্থ সংশোধন) অধিনিয়ম, ১৯৫৫ৰ ৩ ধাৰাৰ দ্বাৰা অন্তঃস্থাপিত (ভূতলক্ষী প্ৰভাবেৰে)।

২। সংবিধান (প্ৰথম সংশোধন) অধিনিয়ম, ১৯৫১ৰ ৫ ধাৰাৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

৩। সংবিধান (পঞ্চবিংশ সংশোধন) অধিনিয়ম, ১৯৭১ৰ ধাৰা ৩ৰ দ্বাৰা অন্তঃস্থাপিত (২০-৪-৭২ তাংৰ পৰা)

৪। সংবিধান (দ্বাচত্বাৰিংশ সংশোধন) অধিনিয়ম, ১৯৭৬ৰ ধাৰা ৪ দ্বাৰা প্ৰতিষ্ঠাপিত (৩-১-৭৭ তাংৰ পৰা)

৫। সংবিধান (চতুঃচত্বাৰিংশ সংশোধন) অধিনিয়ম, ১৯৭৮ৰ ধাৰা ৮ৰ দ্বাৰা প্ৰতিষ্ঠাপিত (২০-৬-৭৯ তাংৰ পৰা)।

৬। উচ্চতম ন্যায়ালয়ে কেশবানন্দ ভাৰতী বনাম কেৰেলা ৰাজ্যৰ মোকৰ্দ্দমাত এই অংশটো অবিধিমান্য বুলি ঘোষণা কৰিছে।

(৩) উচ্চতম ন্যায়ালয়ৰ ওপৰত খণ্ড (১) আৰু (২)ৰ দ্বাৰা প্ৰদত্ত ক্ষমতা সমূহৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নপৰাকৈ সংসদে বিধিৰ দ্বাৰা আন যিকোনো ন্যায়ালয়কে ইয়াৰ ক্ষেত্ৰাধিকাৰৰ স্থানীয় সীমাৰ ভিতৰত খণ্ড (২)ৰ অধীনত উচ্চতম ন্যায়ালয়ে প্ৰয়োগ কৰিব পৰা সকলো ক্ষমতা বা তাৰ যিকোনোটো প্ৰয়োগ কৰিবলৈ ক্ষমতা দিব পাৰে।

(৪) এই সংবিধানৰ দ্বাৰা অন্যথা উপবন্ধিত ব্যতিৰেকে এই অনুচ্ছেদৰ দ্বাৰা সুনিশ্চিত অধিকাৰ নিলম্বিত হব নোৱাৰিব।

৩২ক। [ অনুচ্ছেদ ৩২ৰ অধীনত হোৱা কাৰ্য্যবাহীত ৰাজ্যিক বিধিৰ সাংবিধানিক বৈধতা বিবেচনা নকৰিব ] - সংবিধান (দ্বাচত্বাৰিংশ সংশোধন) অধিনিয়ম, ১৯৭৬ৰ দ্বাৰা অন্তঃস্থাপিত, আৰু সংবিধান (ত্ৰিচত্বাৰিংশ সংশোধন) অধিনিয়ম, ১৯৭৭ৰ ধাৰা ৩ৰ দ্বাৰা লোপ কৰা হয় (১৩-৪-৭৮ তাংৰ পৰা)।

সেনা বাহিনী আদিৰ প্ৰতি প্ৰয়োগৰ ক্ষেত্ৰত এই ভাগৰ দ্বাৰা প্ৰদত্ত অধিকাৰসমূহ সাল সলনি কৰিবলৈ সংসদৰ ক্ষমতা।

[1][৩৩। এই ভাগৰ দ্বাৰা প্ৰদত্ত অধিকাৰ সমূহৰ যিকোনোটো --

(ক) সশস্ত্ৰ বাহিনী সমূহৰ সদস্য সকলৰ প্ৰতি ; বা

(খ) জন-শৃঙ্খলা ৰক্ষাৰ দায়িত্বভাৰত থকা বাহিনীৰ সদস্য সকলৰ প্ৰতি ; বা

(গ) গুপ্তচৰৰ বা প্ৰতি গুপ্তচৰৰ প্ৰয়োজনৰ বাবে ৰাজ্যই প্ৰতিষ্ঠা কৰা কোনো ব্যুৰো বা আন সংগঠনত নিযুক্ত ব্যক্তি সকলৰ প্ৰতি ; বা

(ঘ) খণ্ড (ক)ৰ পৰা (গ) লৈকে এই খণ্ড সমূহত নিৰ্দ্দেশিত কোনো বাহিনী, বিউৰো বা সংগঠনৰ প্ৰয়োজনৰ বাবে প্ৰতিষ্ঠা কৰা টেলিসংযোগ ব্যৱস্থাত বা তাৰ সম্বন্ধত নিয়োজিত ব্যক্তি সকলৰ প্ৰতি,

প্ৰয়োগ কৰোতে তেওঁলোকৰ মাজত অনুশাসন বজাই ৰাখিবলৈ আৰু তেওঁলোকৰ কাৰ্য্যৰ উচিত নিৰ্বহন সুনিশ্চিত কৰিবলৈ কি পৰ্য্যন্ত সংকুচিত বা নিৰাকৃত কৰিব সেইটো সংসদে বিধিৰ দ্বাৰা বিনিশ্চিত কৰিব পাৰে।]

যিকোনো অঞ্চলত সামৰিক বিধি বলবত্ হৈ থকা কালত এই ভাগৰ দ্বাৰা প্ৰদত্ত অধিকাৰৰ ওপৰত নিৰ্বন্ধন।

৩৪। এই ভাগৰ পূৰ্ববৰ্ত্তী উপবন্ধ সমূহত যিকোনো কথা থকা সত্ত্বেও সংসদে বিধিৰ দ্বাৰা সংঘৰ বা আন কোনো এখন ৰাজ্যৰ সেৱাত থকা কোনো ব্যক্তিক বা আন যিকোনো ব্যক্তিক সামৰিক বিধি বলবৎ হৈ থকা ভাৰতৰ ৰাজ্যক্ষেত্ৰৰ ভিতৰুৱা কোনো অঞ্চলত শৃঙ্খলা অনুৰক্ষণ বা পুনঃস্থাপনৰ সম্বন্ধত তেওঁ কৰা কোনো কাৰ্য্যৰ বাবে ক্ষতিপূৰ্ত্তি দিব পাৰিব কিম্বা এনে ক্ষেত্ৰত সামৰিক বিধিৰ অধীনত দিয়াহোৱা দণ্ডাদেশ, বিহিত শাস্তি আৰু আদেশ দিয়া হোৱা বাজেয়াপ্তি বা আন কোনো কাৰ্য্য বিধিমান্য কৰিব পাৰিব।

এই ভাগৰ উপবন্ধসমূহক কাৰ্য্যকৰী কৰিবলৈ বিধান।

৩৫। এই সংবিধানত যিকোনো কথা থকা সত্ত্বেও —

(ক) নিম্নোক্ত বিষয়ত বিধি প্ৰণয়ন কৰিবলৈ সংসদৰ ক্ষমতা থাকিব আৰু ৰাজ্যৰ বিধান মণ্ডলৰ ক্ষমতা নেথাকিব—

(i) অনুচ্ছেদ ১৬ৰ খণ্ড (৩), অনুচ্ছেদ ৩২ৰ খণ্ড (৩), অনুচ্ছেদ ৩৩ আৰু অনুচ্ছেদ ৩৪ৰ অধীনত সংসদে কৰা বিধিৰ দ্বাৰা উপবন্ধিত কৰিব পৰা বিষয়বোৰৰ যিকোনো বিষয় সম্পৰ্কে ; আৰু

(ii) এই ভাগত অপৰাধ বুলি ঘোষিত কাৰ্য্যাবলীৰ বাবে শাস্তি বিহিত কৰিবলৈ ; আৰু এই সংবিধানৰ প্ৰাৰম্ভণিৰ পিচত যথাসম্ভৱ শীঘ্ৰে উপখণ্ড (২)ত নিৰ্দ্দেশিত কাৰ্য্যবোৰৰ বাবে শাস্তি বিহিত কৰিবলৈ সংসদে বিধি প্ৰস্তুত কৰিব ;

(খ) এই সংবিধানৰ প্ৰাৰম্ভণিৰ ঠিক পূৰ্বে ভাৰতৰ ৰাজ্যক্ষেত্ৰত বলবৎ থকা আৰু খণ্ড (ক)ৰ উপখণ্ড (i)ত নিৰ্দ্দেশিত বিষয়বোৰৰ যিকোনোটোৰ লগত সম্বন্ধ থকা কিম্বা সেই খণ্ডৰ উপখণ্ড (ii)ত নিৰ্দ্দেশিত কাৰ্য্যৰ বাবে শাস্তিৰ উপবন্ধ কৰা কোনো বিধি তাত থকা নিবন্ধন সমূহৰ আৰু অনুচ্ছেদ ৩৭২ৰ অধীনত কৰা যিকোনো অনুকূলন আৰু ৰূপভেদ সাপেক্ষে সংসদে পৰিৱৰ্ত্তিত, নিৰসিত বা সংশোধিত নকৰা পৰ্য্যন্ত বলবত্ হৈয়েই থাকিব।

স্পষ্টীকৰণ - এই অনুচ্ছেদত "বলবৎ হৈ থকা বিধি" এই বাক্যাংশৰ অৰ্থ অনুচ্ছেদ ৩৭২ত থকা উক্ত বাক্যাংশৰ অৰ্থৰ সৈতে একে।

---

১। সংবিধান (পঞ্চাশত্তম সংশোধন) অধিনিয়ম, ১৯৮৪ৰ ধাৰা ২ৰ দ্বাৰা মূল অনুচ্ছেদ ৩৩ৰ পৰিবৰ্ত্তে প্ৰতিষ্ঠাপিত (১১-৯-৮৪ তাংৰ পৰা)।

# চতুৰ্থ ভাগ

## ৰাজ্যৰ নীতিৰ নিৰ্দ্দেশক সূত্ৰসমূহ

৩৬। প্ৰসংগ ক্ৰমে আন অৰ্থ অপেক্ষিত নহলে এই ভাগত "ৰাজ্য" শব্দৰ অৰ্থ তৃতীয় ভাগত থকা উক্ত শব্দৰ অৰ্থৰে সৈতে একে হ'ব। — পৰিভাষা।

৩৭। এই ভাগত থকা উপবন্ধ সমূহ কোনো ন্যায়ালয়ৰ দ্বাৰা বলবৎ কৰিব-পৰা নহব কিন্তু তথাপি তাত দিয়া সূত্ৰবোৰ দেশ শাসনৰ বাবে মূল কথা হ'ব আৰু বিধি প্ৰস্তুত কৰোতে সূত্ৰবোৰ প্ৰয়োগ কৰাটো ৰাজ্যৰ কৰ্ত্তব্য হ'ব। — এই ভাগত থকা সূত্ৰসমূহৰ প্ৰয়োগ।

৩৮। [1][(১)] ৰাষ্ট্ৰীয় জীৱনৰ সকলোবোৰ সংস্থাকে অনুপ্ৰাণিত কৰা সামাজিক, আৰ্থিক আৰু ৰাজনৈতিক ন্যায় থকা সমাজ ব্যৱস্থা এটা যথা সম্ভব ফলদায়কভাৱে স্থাপন আৰু সংৰক্ষণ কৰি লোক-কল্যাণৰ উন্নতিৰ অৰ্থে ৰাজ্যই প্ৰয়াস কৰিব। — লোক-কল্যাণৰ উন্নতিৰ অৰ্থে ৰাজ্যৰ দ্বাৰা সামাজিক ব্যৱস্থাৰ প্ৰবৰ্ত্তন।

[2](২) ৰাজ্যই বিশেষকৈ আয়ৰ অসমতা কম কৰিবলৈ প্ৰয়াস কৰিব, আৰু অকল ব্যক্তি সকলৰ মাজতেই নহয় বৰং বেলেগ বেলেগ ক্ষেত্ৰত বাস কৰা আৰু বেলেগ বেলেগ ব্যৱসায় কৰা ব্যক্তিসকলৰ সমষ্টি সমূহৰ মাজতো প্ৰতিষ্ঠা, সা-সুবিধা তথা সুযোগৰ অসমতা নাইকিয়া কৰিবলৈ প্ৰযত্ন কৰিব।]

৩৯। ৰাজ্যই নিজৰ নীতি বিশেষকৈ এনেভাৱে নিৰ্দ্দেশিত কৰিব যাৰ দ্বাৰা— — ৰাজ্যৰ দ্বাৰা অনুসৰণীয় কিছুমান নীতি সূত্ৰ।

(ক) জীৱিকাৰ পৰ্য্যাপ্ত উপায় লাভৰ কাৰণে মুনিহ আৰু তিৰোতা সমানে সকলো নাগৰিকৰে অধিকাৰ থাকিব ;

(খ) লোক সমাজৰ বস্তু সম্পদৰ স্বামিত্ব আৰু নিয়ন্ত্ৰণ যাতে এনেভাৱে বণ্টিত হয় যাৰ দ্বাৰা সৰ্ব্বোত্তম ৰূপে সামূহিক হিত সাধিত হয় ;

(গ) আৰ্থিক ব্যৱস্থাৰ পৰিচালনাৰ পৰিণামত যাতে ধন-সম্পত্তি আৰু উৎপাদনৰ উপায় সৰ্ব্ব-সাধাৰণৰ অহিতে কেন্দ্ৰীভূত নহয় ;

(ঘ) মুনিহ আৰু তিৰোতা উভয়ৰ বাবেই সমান কামৰ বাবে যাতে সমান দৰমহা হয় ;

(ঙ) মুনিহ-তিৰোতা সকলো শ্ৰমিকৰ স্বাস্থ্য আৰু শক্তি আৰু ল'ৰা-ছোৱালীৰ কুমলীয়া বয়সৰ যাতে অপব্যৱহাৰ নহয় আৰু কোনো নাগৰিকে আৰ্থিক আৱশ্যকতাৰ কাৰণে যাতে তেওঁলোকৰ বয়স বা শক্তিৰ অনুপযোগী ৰোজগাৰৰ পথ অবলম্বন কৰিবলৈ বাধ্য নহয় ;

[3](চ) শিশুসকলক সুস্থ ধৰণৰে আৰু স্বতন্ত্ৰ তথা মৰ্য্যাদাপূৰ্ণ পৰিবেশত বিকাশ লাভৰ বাবে সুযোগ-সুবিধা দিয়া হয় আৰু যাতে শিশু তথা যুবক সকলক শোষণৰ পৰা আৰু নৈতিক তথা আৰ্থিক অবহেলাৰ পৰা ৰক্ষা কৰা হয়।]

---

১। সংবিধান (চতুঃচত্বাৰিংশ সংশোধন) অধিনিয়ম, ১৯৭৮ৰ ধাৰা ৯ৰ দ্বাৰা মূল অনুচ্ছেদ ৩৮ক তাৰ খণ্ড(১) কৰা হৈছে (২৬-৬-৭৯ তাংৰ পৰা)।

২। উক্ত অধিনিয়মৰ উক্ত ধাৰাৰ দ্বাৰা অন্তঃস্থাপিত কৰা হৈছে (২০-৬-৭৯ তাংৰ পৰা)।

৩। সংবিধান (দ্বাচত্বাৰিংশ সংশোধন) অধিনিয়ম, ১৯৭৬ৰ ধাৰা ৭ৰ দ্বাৰা প্ৰতিষ্ঠাপিত (৩-১-৭৭ তাংৰ পৰা)।

**সমান ন্যায় আৰু বিনামূলীয়া বিধিক সাহায্য।**

[1][৩৯ক। ৰাজ্যই এইটো সুনিশ্চিত কৰিব যাতে বিধি-ব্যৱস্থাৰ প্ৰৱৰ্ত্তনে সমান সুযোগৰ ভিত্তিত ন্যায় উপলব্ধ কৰাই আৰু বিশেষকৈ যাতে আৰ্থিক বা আনকোনো নিৰ্যোগ্যতাৰ কাৰণত কোনো নাগৰিক ন্যায় লাভ কৰাৰ সুযোগৰ পৰা বঞ্চিত নহয় তাক সুনিশ্চিত কৰিবলৈ উপযুক্ত বিধান বা আঁচনিৰ দ্বাৰা বা আন কোনো প্ৰকাৰে বিনামূলীয়া বিধিক সাহায্যৰ ব্যৱস্থা কৰে। ]

**গাঁও পঞ্চায়ত সংগঠন।**

৪০। ৰাজ্যই গাঁও পঞ্চায়ত সংগঠন কৰিবলৈ দিহা কৰিব আৰু সেইবোৰক স্বায়ত্ত শাসনৰ গোট হিচাপে কাম কৰাৰ যোগ্য কৰিবলৈ যেনে ক্ষমতা আৰু প্ৰাধিকাৰৰ প্ৰয়োজন তাক প্ৰদান কৰিব।

**কেতবোৰ অৱস্থাত কাম কৰা, শিক্ষা লাভ কৰা আৰু ৰাষ্ট্ৰীয় সহায়তা পোৱাৰ অধিকাৰ।**

৪১। ৰাজ্যই নিজৰ আৰ্থিক সামৰ্থ্য আৰু বিকাশৰ পৰিসীমাৰ ভিতৰত কাম কৰিবৰ অধিকাৰ, শিক্ষা পাবৰ অধিকাৰ আৰু নিবনুৱা, বুঢ়াকাল, ৰুগ্নতা, অঙ্গ বিকলতা আৰু অনুচিত অভাৱৰ অৱস্থাত ৰাষ্ট্ৰীয় সহায়তাৰ অধিকাৰ প্ৰাপ্ত কৰিবলৈ কাৰ্য্যকৰী উপবন্ধ কৰিব।

**কামৰ ন্যায্য আৰু মানবোচিত অৱস্থা সুনিশ্চিত কৰিবলৈ প্ৰসূতি মঙ্গলৰ কাৰণে উপবন্ধ।**

৪২। কামৰ ন্যায্য আৰু মানবোচিত অৱস্থা সুনিশ্চিত কৰিবলৈ আৰু প্ৰসূতি মংগলৰ কাৰণে ৰাজ্যই উপবন্ধ প্ৰস্তুত কৰিব।

**বনুৱাসকলৰ বাবে জীৱন নিৰ্বাহ মজুৰি আদি।**

৪৩। ৰাজ্যই উপযুক্ত বিধান বা আৰ্থিক সংগঠনৰ দ্বাৰা অথবা আন কোনো প্ৰকাৰে কৃষিত কাম কৰা, উদ্যোগত কাম কৰা বা আন প্ৰকাৰৰ সকলো বনুৱাৰ বাবে কাম, জীৱন-নিৰ্বাহ মজুৰি, উপযোগী জীৱন-যাপনৰ মান আৰু অৱকাশৰ সম্পূৰ্ণ উপভোগ সুনিশ্চিত কৰি কামৰ চৰ্ত্ত সমূহ তথা সামাজিক আৰু সাংস্কৃতিক সুযোগ সমূহ প্ৰাপ্ত কৰিবলৈ প্ৰয়াস কৰিব আৰু বিশেষকৈ, গ্ৰাম্য অঞ্চলত ব্যক্তিগত অথবা সমবায় ভিত্তিত কুটীৰ উদ্যোগৰ উন্নয়নৰ বাবে ৰাজ্যই প্ৰয়াস কৰিব।

**উদ্যোগৰ পৰিচালনাত কৰ্মীসকলৰ অংশ গ্ৰহণ।**

[2][৪৩ক। ৰাজ্যই উপযুক্ত বিধানৰ দ্বাৰা বা আন কোনো প্ৰকাৰে, কোনো উদ্যোগৰ কামত নিয়োজিত কোনো উপক্ৰম, স্থাপনা বা অন্য সংগঠনৰ পৰিচালনাত কৰ্মীসকলৰ অংশ গ্ৰহণ সুনিশ্চিত কৰিবলৈ ব্যৱস্থা কৰিব। ]

**নাগৰিকসকলৰ কাৰণে একে ধৰণৰ চিভিল সংহিতা।**

৪৪। ভাৰতৰ ৰাজ্যক্ষেত্ৰত নাগৰিক সকলৰ কাৰণে যাতে একে ধৰণৰ চিভিল সংহিতা এখন হয় তাৰ বাবে ৰাজ্যই প্ৰয়াস কৰিব।

**ল'ৰা ছোৱালীৰ কাৰণে বিনা মাচুলে আৰু বাধ্যতামূলক শিক্ষা দানৰ উপবন্ধ।**

৪৫। এই সংবিধানৰ প্ৰাৰম্ভণিৰ দহ বছৰৰ ভিতৰত সকলোবোৰ ল'ৰা-ছোৱালীৰ কাৰণে তেওঁলোকৰ বয়স চৈধ্য বছৰ পূৰ্ণ নোহোৱা পৰ্য্যন্ত, বিনা মাচুলে আৰু বাধ্যতামূলক ভাবে শিক্ষা দানৰ দিহা কৰিবলৈ ৰাজ্যই প্ৰয়াস কৰিব।

**অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য দুৰ্বল শ্ৰেণীৰ লোকসকলৰ শিক্ষামূলক আৰু আৰ্থিক সম্বন্ধীয় স্বাৰ্থৰ উন্নয়ন।**

৪৬। ৰাজ্যই বিশেষ মনোযোগেৰে দুৰ্ব্বল শ্ৰেণীৰ লোক সকলৰ বিশেষকৈ অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি সমূহৰ শিক্ষামূলক আৰু আৰ্থিক সম্বন্ধীয় উন্নয়ন সাধিব আৰু তেওঁলোকক সামাজিক অন্যায় আৰু সকলো ধৰণৰ শোষণৰ পৰা সংৰক্ষিত কৰিব।

---

১। সংবিধান (দ্বাচত্বাৰিংশ সংশোধন) অধিনিয়ম, ১৯৭৬ৰ ধাৰা ৮ৰ দ্বাৰা অন্তঃস্থাপিত (৩-১-৭৭ তাংৰ পৰা)।

২। সংবিধান (দ্বাচত্বাৰিংশ সংশোধন) অধিনিয়ম, ১৯৭৬ৰ ধাৰা ৯ৰ দ্বাৰা অন্তঃস্থাপিত (৩-১-৭৭ তাংৰ পৰা)।

চতুৰ্থ ভাগ — ৰাজ্যৰ নীতিৰ নিৰ্দ্দেশক সূত্ৰসমূহ — অনুচ্ছেদ ৪৭-৫১

৪৭। ৰাজ্যই ইয়াৰ লোকসাধাৰণৰ পৰিপুষ্টি আৰু জীৱন-যাপনৰ মান উন্নীত কৰা আৰু জন-স্বাস্থ্যৰ উন্নতি কৰা প্ৰাথমিক কৰ্ত্তব্যৰ অন্তৰ্ভুক্ত বুলি মান্য কৰিব আৰু বিশেষকৈ ঔষধিক প্ৰয়োজনৰ বাহিৰে ৰাগীয়াল পানীয় আৰু স্বাস্থ্যৰ হানিকৰ ভেষজৰ ব্যৱহাৰ প্ৰতিষেধ কৰিবলৈ প্ৰয়াস কৰিব। পৰিপুষ্টিৰ আৰু জীৱন-যাপনৰ মান উন্নীত কৰিবলৈ আৰু লোক স্বাস্থ্যৰ উন্নতি কৰিবলৈ ৰাষ্ট্ৰৰ কৰ্ত্তব্য।

৪৮। ৰাজ্যই আধুনিক আৰু বিজ্ঞানসন্মত প্ৰণালীৰে কৃষি আৰু পশু পালন সংগঠিত কৰিবলৈ প্ৰয়াস কৰিব ; বিশেষকৈ গাই আৰু পোৱালী আৰু অন্যান্য ক্ষীৰতী আৰু ভাৰটনা গৰু-ম'হ আদিৰ বধ প্ৰতিষেধ কৰিবলৈ আৰু বংশ পৰিৰক্ষণ আৰু উন্নত কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিব। কৃষি আৰু পশু পালন সংগঠন।

[১][৪৮ক। ৰাজ্যই পাৰিপাৰ্শ্বিক অৱস্থাৰ সংৰক্ষণ আৰু উন্নয়ন কৰিবলৈ তথা দেশৰ বন-সম্পদ আৰু বন্যজীৱক ৰক্ষা কৰিবলৈ প্ৰয়াস কৰিব। ] পাৰিপাৰ্শ্বিক অৱস্থাৰ সংৰক্ষণ আৰু উন্নয়ন তথা বন আৰু বন্য জীৱৰ ৰক্ষণ।

৪৯। [২][সংসদৰ দ্বাৰা প্ৰণীত বিধিৰ দ্বাৰা বা অধীনত] ৰাষ্ট্ৰীয় গুৰুত্ব সম্পন্ন বুলি [২][ঘোষিত] কলাত্মক বা ঐতিহাসিক কাৰণত চিত্তাকৰ্ষক প্ৰত্যেক স্মাৰক বা স্থান বা বস্তু যথাস্থিতি লুণ্ঠন, বিৰূপকৰণ, বিনাশ, অপসাৰণ, ব্যয়ন অথবা ৰপ্তানিৰ পৰা ৰক্ষা কৰাটো ৰাজ্যৰ বাবে বাধ্যতামূলক হ'ব। ৰাষ্ট্ৰীয় গুৰুত্ব সম্পন্ন স্মাৰক আৰু স্থান আৰু বস্তুসমূহৰ সংৰক্ষণ।

৫০। ৰাজ্যৰ লোক সেৱা সমূহত কাৰ্য্যপালিকাৰ পৰা ন্যায়পালিকাক পৃথক কৰিবলৈ ৰাজ্যই ব্যৱস্থা গ্ৰহণ কৰিব। কাৰ্য্যপালিকাৰ পৰা ন্যায়পালিকাক পৃথক কৰণ।

৫১। ৰাজ্যই— আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তাৰ উৎকৰ্ষ সাধন।

(ক) আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা বৃদ্ধি কৰিবলৈ ;
(খ) ৰাষ্ট্ৰবৰ্গৰ মাজত ন্যায্য আৰু সন্মানজনক সম্বন্ধ ৰক্ষা কৰিবলৈ ;
(গ) সংগঠিত লোকপুঞ্জৰ মাজত পাৰস্পৰিক ব্যৱহাৰত আন্তঃৰাষ্ট্ৰীয় বিধি আৰু সন্ধিজনিত দায়িত্ববোৰৰ প্ৰতি শ্ৰদ্ধা বঢ়াবলৈ ; আৰু
(ঘ) মধ্যস্থতাৰ যোগেদি আন্তঃৰাষ্ট্ৰীয় বিবাদ নিষ্পত্তি কৰাত উৎসাহ দিবলৈ প্ৰয়াস কৰিব।

---

১। সংবিধান (দ্বাচত্বাৰিংশ সংশোধন) অধিনিয়ম, ১৯৭৬ৰ ধাৰা ১০ৰ দ্বাৰা অন্তঃস্থাপিত(৩-১-৭৭ তাংৰ পৰা )।

২। সংবিধান (সপ্তম সংশোধন) অধিনিয়ম, ১৯৫৬ৰ ২৭ ধাৰাৰ দ্বাৰা "সংসদে বিধিৰ দ্বাৰা ঘোষিত"ৰ পৰিবৰ্ত্তে প্ৰতিষ্ঠাপিত।

চতুৰ্থ ভাগ — ৰাজ্যৰ নীতিৰ নিৰ্দেশক সূত্ৰসমূহ — অনুচ্ছেদ ৪৭-৫১

৪৭। ৰাজ্যই ইয়াৰ লোকসাধাৰণৰ পৰিপুষ্টি আৰু জীৱন-যাপনৰ মান উন্নীত কৰা আৰু জন-স্বাস্থ্যৰ উন্নতি কৰা প্ৰাথমিক কৰ্ত্তব্যৰ অন্তৰ্ভুক্ত বুলি মান্য কৰিব আৰু বিশেষকৈ ঔষধিক প্ৰয়োজনৰ বাহিৰে ৰাগীয়াল পানীয় আৰু স্বাস্থ্যৰ হানিকৰ ভেষজৰ ব্যৱহাৰ প্ৰতিষেধ কৰিবলৈ প্ৰয়াস কৰিব। পৰিপুষ্টিৰ আৰু জীৱন-যাপনৰ মান উন্নীত কৰিবলৈ আৰু লোক স্বাস্থ্যৰ উন্নতি কৰিবলৈ ৰাষ্ট্ৰৰ কৰ্ত্তব্য।

৪৮। ৰাজ্যই আধুনিক আৰু বিজ্ঞানসন্মত প্ৰণালীৰে কৃষি আৰু পশু পালন সংগঠিত কৰিবলৈ প্ৰয়াস কৰিব ; বিশেষকৈ গাই আৰু পোৱালী আৰু অন্যান্য ক্ষীৰতী আৰু ভাৰটনা গৰু-ম'হ আদিৰ বধ প্ৰতিষেধ কৰিবলৈ আৰু বংশ পৰিৰক্ষণ আৰু উন্নত কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিব। কৃষি আৰু পশু পালন সংগঠন।

[1][৪৮ক। ৰাজ্যই পাৰিপাৰ্শ্বিক অৱস্থাৰ সংৰক্ষণ আৰু উন্নয়ন কৰিবলৈ তথা দেশৰ বন-সম্পদ আৰু বনজীৱক ৰক্ষা কৰিবলৈ প্ৰয়াস কৰিব।] পাৰিপাৰ্শ্বিক অৱস্থাৰ সংৰক্ষণ আৰু উন্নয়ন তথা বন আৰু বন্য জীৱৰ ৰক্ষণ।

৪৯। [2][সংসদৰ দ্বাৰা প্ৰণীত বিধিৰ দ্বাৰা বা অধীনত] ৰাষ্ট্ৰীয় গুৰুত্ব সম্পন্ন বুলি [2][ঘোষিত] কলাত্মক বা ঐতিহাসিক কাৰণত চিত্তাকৰ্ষক প্ৰত্যেক স্মাৰক বা স্থান বা বস্তু যথাস্থিতি লুণ্ঠন, বিৰূপকৰণ, বিনাশ, অপসাৰণ, ব্যয়ন অথবা ৰপ্তানিৰ পৰা ৰক্ষা কৰাটো ৰাজ্যৰ বাবে বাধ্যতামূলক হ'ব। ৰাষ্ট্ৰীয় গুৰুত্ব সম্পন্ন স্মাৰক আৰু স্থান আৰু বস্তুসমূহৰ সংৰক্ষণ।

৫০। ৰাজ্যৰ লোক সেৱা সমূহত কাৰ্য্যপালিকাৰ পৰা ন্যায়পালিকাক পৃথক কৰিবলৈ ৰাজ্যই ব্যৱস্থা গ্ৰহণ কৰিব। কাৰ্য্যপালিকাৰ পৰা ন্যায়পালিকাক পৃথক কৰণ।

৫১। ৰাজ্যই— আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তাৰ উৎকৰ্ষ সাধন।

(ক) আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা বৃদ্ধি কৰিবলৈ ;
(খ) ৰাষ্ট্ৰবৰ্গৰ মাজত ন্যায্য আৰু সন্মানজনক সম্বন্ধ ৰক্ষা কৰিবলৈ ;
(গ) সংগঠিত লোকপুঞ্জৰ মাজত পাৰস্পৰিক ব্যৱহাৰত আন্তঃৰাষ্ট্ৰীয় বিধি আৰু সন্ধিজনিত দায়িত্ববোৰৰ প্ৰতি শ্ৰদ্ধা বঢ়াবলৈ ; আৰু
(ঘ) মধ্যস্থতাৰ যোগেদি আন্তঃৰাষ্ট্ৰীয় বিবাদ নিষ্পত্তি কৰাত উৎসাহ দিবলৈ প্ৰয়াস কৰিব।

---

১। সংবিধান (দ্বাচত্বাৰিংশ সংশোধন) অধিনিয়ম, ১৯৭৬ৰ ধাৰা ১০ৰ দ্বাৰা অন্তঃস্থাপিত(৩-১-৭৭ তাংৰ পৰা)।

২। সংবিধান (সপ্তম সংশোধন) অধিনিয়ম, ১৯৫৬ৰ ২৭ ধাৰাৰ দ্বাৰা "সংসদে বিধিৰ দ্বাৰা ঘোষিত"ৰ পৰিবৰ্ত্তে প্ৰতিষ্ঠাপিত।

# [1] [ চতুৰ্থ 'ক' ভাগ

## মৌলিক কৰ্ত্তব্যসমূহ

মৌলিক কৰ্ত্তব্যসমূহ।

৫১ক। ভাৰতৰ প্ৰত্যেক নাগৰিকৰ কৰ্ত্তব্য হব —

(ক) এই সংবিধান মানি চলা আৰু ইয়াৰ সকলো আদৰ্শ আৰু সংস্থা তথা ৰাষ্ট্ৰীয় পতাকা আৰু ৰাষ্ট্ৰীয় সঙ্গীতক শ্ৰদ্ধা কৰা ;

(খ) স্বতন্ত্ৰতাৰ বাবে কৰা আমাৰ ৰাষ্ট্ৰীয় আন্দোলনক অনুপ্ৰাণিত কৰা মহান আদৰ্শসমূহ পোষণ আৰু অনুসৰণ কৰা ;

(গ) ভাৰতৰ সাৰ্বভৌমত্ব, ঐক্য আৰু অখণ্ডতা ৰক্ষা কৰা আৰু তাক অক্ষুণ্ণ ৰখা ;

(ঘ) দেশখনক ৰক্ষা কৰা আৰু যেতিয়াই আহ্বান কৰা হয় তেতিয়াই ৰাষ্ট্ৰীয় সেৱা আগবঢ়োৱা ;

(ঙ) ভাৰতৰ সকলো লোকৰ মাজত, ধৰ্মীয়, ভাষিক আৰু আঞ্চলিক অথবা সাম্প্ৰদায়িক অনৈক্য অতিক্ৰম কৰি সম্প্ৰীতি আৰু সামূহিক ভাতৃভাব বৃদ্ধি কৰা ; নাৰীৰ মৰ্য্যাদা হানিকৰ আচৰণ ত্যাগ কৰা ;

(চ) আমাৰ মিশ্ৰিত সাংস্কৃতিৰ মূল্যবান ঐতিহ্যক মূল্য দিয়া আৰু তাক সংৰক্ষণ কৰা ;

(ছ) বন, হ্ৰদ, নদী আৰু বন্যজীৱক ধৰি প্ৰাকৃতিক পৰিবেশ ৰক্ষা কৰা, তাৰ উন্নয়ন কৰা, তথা সকলো জীৱিত প্ৰাণীৰ প্ৰতি দয়াভাব ৰখা ;

(জ) বৈজ্ঞানিক দৃষ্টিকোণ, মানবতাবোধ আৰু অনুসন্ধিৎসা তথা সংস্কাৰৰ মনোভাৱৰ বিকাশ সাধন কৰা ;

(ঝ) ৰাজহুৱা সম্পত্তি ৰক্ষা কৰা আৰু হিংসাত্মক কাৰ্য্য পৰিহাৰ কৰা ;

(ঞ) ব্যক্তিগত আৰু সামূহিক কাম-কাজৰ সকলো ক্ষেত্ৰত উৎকৰ্ষ সাধনৰ বাবে প্ৰয়াস কৰা যাতে ৰাষ্ট্ৰই প্ৰযত্ন আৰু সফলতাৰ উচ্চতৰ পৰ্য্যায়লৈ নিৰন্তৰ আগুৱাই যায়। ]

---

১। সংবিধান (দ্বাচত্বাৰিংশ সংশোধন) অধিনিয়ম, ১৯৭৬ৰ ধাৰা ১১ৰ দ্বাৰা অন্তঃ স্থাপিত (৩-১-৭৭ তাংৰ পৰা)।